# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 29-07-2024
**Time :** 19-10 Hrs.

# *Assamese Evening Bulletin*
## *HEADLINES*

১।	লোকসভাত আজিও ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়।

২।	প্ৰধানমন্ত্ৰী স্বনিধি আঁচনিৰ জৰিয়তে এতিয়ালৈকে এঘাৰ হাজাৰ ৭১৩ কোটি টকাৰ ঋণ পদপথৰ ব্যৱসায়ীসকলক প্ৰদান কৰা হৈছে বুলি চৰকাৰে আজি প্ৰকাশ কৰিছে।

৩।	দেশত স্বীকৃতি প্ৰাপ্ত ষ্টাৰ্টআপ উদ্যমসমূহে এই পৰ্যন্ত ১৫ লাখ ৫০ হাজাৰৰো অধিক কৰ্মসংস্থাপনৰ সৃষ্টি কৰিছে বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে।

৪।	ৰাজ্যসভাত আজি কৰ্তৃপক্ষৰ অৱহেলাৰ ফলত দিল্লীৰ এখন কোচিং ইন্সটিটিউটৰ শিক্ষাৰ্থীৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত চমু আলোচনা কৰা হয়। ***আৰু***

৫।	পেৰিছ অলিম্পিকত আজি ভাৰতৰ পুৰুষৰ হকী দলৰ  আৰ্জেণ্টিনাৰ সৈতে হোৱা খেলখন ১-১ গলত ড্ৰ হয়।

*000*

লোকসভাত আজিও ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। আলোচনাত অংশ লৈ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে জাতি পিয়ল অনুষ্ঠিত কৰাৰ দাবী উত্থাপন কৰাৰ লগতে কৃষকক উৎপাদিত সামগ্ৰীৰ ন্যূনতম সমৰ্থন মূল্য দিয়াৰ আইনী নিশ্চয়তা প্ৰদান কৰাৰ দাবী জনায়। তেওঁ কয় যে, এই সমৰ্থন মূল্যৰ ক্ষেত্ৰত আইনী নিশ্চয়তাই কৃষকসকলক নিশ্চিতভাৱে উপকৃত কৰিব। তেওঁ লগতে অগ্নিবীৰ আঁচনি সন্দৰ্ভতো প্ৰশ্ন তোলে। শ্ৰী গান্ধীয়ে ২০২৪-২৫ বৰ্ষৰ বাজেটে দেশৰ জনসংখ্যাৰ ৭৩ শতাংশ সামৰি লোৱা অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে কোনো উল্লেখযোগ্য প্ৰস্তাৱ দিয়া নাই বুলি অভিযোগ তোলে। তেওঁ লগতে পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ প্ৰসংগ উত্থাপন কৰি এনে ঘটনাই যুৱ প্ৰজন্মৰ ক্ষতি কৰে বুলি মন্তব্য কৰে। শ্ৰী গান্ধীৰ ভাষণ চলি থকাৰ সময়তে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে নেতাগৰাকীয়ে সদনৰ অধ্যক্ষৰ মৰ্যদা হানি কৰা বুলি কেইবাটাও মন্তব্যৰ বিৰোধিতা কৰে। আনহাতে গান্ধীয়ে উত্থাপন কৰা অগ্নিবীৰ আঁচনিৰ প্ৰসংগত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে, এই আঁচনি সম্পৰ্কত বিৰোধী দলৰ নেতাগৰাকীয়ে কেতবোৰ ভ্ৰান্ত ধাৰণা সৃষ্টি কৰিছে আৰু তেওঁ এই সম্পৰ্কত সদনত আলোচনাৰ বাবে সাজু আছে। ইয়াৰ আগেয়ে সদনত আলোচনাত অংশগ্ৰহণ কৰি সমাজবাদী পাৰ্টীৰ নিৰ্মল যাদৱে শিক্ষাখণ্ডত বাজেটত আৱণ্টন ধাৰাবাহিকভাৱে হ্ৰাস পাইছে বুলি মন্তব্য কৰে। তেওঁ কয় যে, দেশত নিবনুৱাৰ হাৰ ক্ৰমাৎ বৃদ্ধি পাইছে। নেত্ৰীগৰাকীয়ে অগ্নিবীৰ আঁচনিক লৈ প্ৰশ্ন তোলাৰ লগতে জাতি পিয়লৰ প্ৰসংগ উত্থাপন কৰে। ইয়াৰ বিপৰীতে বিজেপিৰ সুৰেশ কুমাৰ কাশ্যপে কয় যে, এইবাৰৰ বাজেটে দেশক উন্নয়নৰ ক্ষেত্ৰত নতুন গতি দিয়াৰ উপৰি

আত্মনির্ভৰশীল হোৱাৰ ক্ষেত্ৰত সহায় কৰিব। দেশৰ ২৫ কোটি লোকক চৰকাৰৰ বিভিন্ন আঁচনিয়ে দৰিদ্ৰতাৰ পৰা মুক্ত কৰিছে বুলি তেওঁ মন্তব্য কৰে।

ৰাজ্যসভাতো ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেট সন্দৰ্ভত আজি আলোচনা অনুষ্ঠিত হয়। আলোচনাত ভাগ লৈ জে দি এছৰ এইচ ডি দেৱেগৌৰাই কয় যে, সম্প্ৰতি বিনিয়োগ বন্ধ কৰাৰ পৰিৱৰ্তে পুনৰ বিনিয়োগ কৰাৰ সময় আহি পৰিছে। লগতে উন্নয়নৰ নতুন আৰ্হি বিকশাই তোলাৰ লগতে কৰ্মসংস্থাপন বৃদ্ধিৰো প্ৰয়োজন আছে। তেওঁ কয় যে, বিনিযোগ বন্ধ কৰিলে ইয়াৰ পৰা বিভিন্ন সমস্যাৰ সৃষ্টি হয়। বেংগালুৰু মহানগৰৰ খোৱাপানী সমস্যাৰ বিষয়ে উল্লেখ কৰি তেওঁ চৰকাৰক এই সমস্যা সমাধান কৰিবলৈ আহ্বান জনায়। ইপিনে, কংগ্ৰেছৰ ৰাজীৱ শুক্লাই উচ্চতম ন্যায়ালযে আৰু উচ্চ ন্যায়ালয় সমূহৰ আন্তগাঠনি আৰু শক্তি বৃদ্ধি কৰাৰ বিষয়ে মত প্ৰকাশ কৰে। তেওঁ লগতে জি এছ টিৰ অধীনত ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডই সমস্যাৰ সৈতে যুঁজ দিব লগা হৈছে বুলি মন্তব্য কৰে। এই খণ্ডটো প্ৰত্যক্ষভাৱে নিয়োগৰ সৈতে জড়িত হৈ থাকে বুলি উল্লেখ কৰি তেঁও এই বিষয়টো ভালদৰে নিৰীক্ষণ কৰিবলৈ আহ্বান জনায়।

০০০

প্ৰধানমন্ত্ৰী স্বনিধি আঁচনিৰ জৰিয়তে এতিয়ালৈকে এঘাৰ হাজাৰ ৭১৩ কোটি টকাৰ ঋণ পদপথৰ ব্যৱসায়ীসকলক প্ৰদান কৰা হৈছে বুলি চৰকাৰে আজি প্ৰকাশ কৰিছে। ৰাজ্যসভাত আজি এটা প্ৰশ্নৰ লিখিত উত্তৰত গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী তোখান সাহুয়ে কয় যে, সৰ্বমুঠ ৮৬ লাখ ৩৮ হাজাৰ ঋণ মোকলাই দিয়া হৈছে আৰু ইয়াৰে ৩১ লাখ ৭৩ হাজাৰ ঋণ পৰিশোধ কৰা হৈছে। পদপথৰ ব্যৱসায়ীসকলে তেওঁলোকৰ কাম-কাজ আৰু ব্যৱসায় বৃদ্ধিৰ বাবে এই ঋণ ব্যৱহাৰ কৰা বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০

ৰাজ্যসভাত আজি কৰ্তৃপক্ষৰ অৱহেলাৰ ফলত দিল্লীৰ এখন কোচিং ইন্সটিটিউটৰ শিক্ষাৰ্থীৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত চমু আলোচনা কৰা হয়। বিজেপিৰ সুধাংশু ত্ৰিবেদী এই আলোচনা আৰম্ভ কৰি এনে ঘটনা অপৰাধমূলক অৱহেলা হিচাপে অভিহিত কৰি বিষয়টো সন্দৰ্ভত বিশদ তদন্তৰ দাবী জনায়। তেওঁ লগতে এই ঘটনাৰ দায়িত্ব স্বীকাৰ কৰিবলৈ আহ্বান জনায়। ত্ৰিবেদীয়ে লগতে নিৰ্মাণৰ ক্ষেত্ৰত আইন প্ৰনয়ণ কৰাৰ পাছতো নলা নৰ্দমা পৰিস্কাৰ সন্দৰ্ভত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নহল। দিল্লী চৰকাৰক প্ৰশ্ন কৰি তেওঁ লগতে কয় যে, দিল্লী জলবোৰ্ডৰ ঘাটি ৭৪ হাজাৰ কোটিলৈ বৃদ্ধি পাইছে আৰু বোৰ্ডৰ বিৰুদ্ধে ভালেমান দুৰ্নীতিৰ অভিযোগ উত্থাপিত হৈছে। তেওঁ লগতে চৰকাৰী এজেন্সিৰ জৰিয়তে নগৰৰ নলা নৰ্দমা পৰিস্কাৰ কৰা ক্ষেত্ৰত কিমান ধন খৰছ কৰা হৈছে সেই সম্পৰ্কেও প্ৰশ্ন উত্থাপন কৰে। এই দুখজনক ঘটনা সন্দৰ্ভত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ পৰা কোনো ধৰণৰ মন্তব্য লাভ কৰা নাই বুলিও তেওঁ কয়। শ্ৰীত্ৰিবেদীয়ে দিল্লী চৰকাৰক প্ৰয়োজনীয় মান বৰ্তাই ৰাখি চলাই থকা কোচিং চেণ্টাৰসমূহৰ এখন তালিকা প্ৰস্তুত কৰিবলৈও আহ্বান জনায়।

তৃণমূল কংগ্ৰেছৰ দেৰেক অবৰেইনেও এই ঘটনা সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰে। তেওঁ লগতে সদনত কিয় মণিপুৰৰ হিংসা, নীট পৰীক্ষা, ৰেল দুৰ্ঘটনা, অসমৰ বান পৰিস্থিতিৰ লগতে কৃষক তথা নিবনুৱা সমস্যাৰ দৰে বিষয়সমূহ উত্থাপন কৰিবলৈ দিয়া হোৱা নাই সেই সম্পৰ্কেও প্ৰশ্ন তোলে। সমগ্ৰ দেশতে ছাত্ৰ-ছাত্ৰীৰ আত্মহত্যাৰ বিষয়টোও তেওঁ সদনত উত্থাপন কৰে। ডি এম কেৰ তিৰুশী শিৱাইও এই বিষয়ে মত প্ৰকাশ কৰে। কেন্দ্ৰীয় শিক্ষা

মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে এই বিষয় সন্দৰ্ভত হস্তক্ষেপ কৰি কয় যে, এই ক্ষেত্ৰত অৱহেলা কৰা হৈছে আৰু ইয়াৰ বাবে দায়ী লোকসকলক জবাবদিহি কৰিব লাগে। কোচিং চেণ্টাৰসমূহৰ নিয়ন্ত্ৰণ সন্দৰ্ভত  যোৱা জানুৱাৰী মাহত কেন্দ্ৰীয় চৰকাৰে কিছু নীতি নিৰ্দেশনা জাৰি কৰিছিল বুলি উল্লেখ কৰি শ্ৰীপ্ৰধানে কয় যে এই নীতি নিয়মসমূহ ভালদৰে পালন কৰা হলে এনে ধৰণৰ দুখজনক ঘটনা কেতিয়াও নঘটিলহেতেন।  আম আদমী পাৰ্টীৰ স্বাতি মালিৱালে সমগ্ৰ দেশৰ ছাত্ৰ-ছাত্ৰীসকলে অসামৰিক সেৱাৰ সৈতে জড়িত হোৱাৰ আশাত দিল্লীৰ কোচিং চেণ্টাৰসমূহত নামভৰ্তি কৰেহি বুলি উল্লেখ কৰি কয় যে এনে ধৰণৰ চেণ্টাৰসমূহ এতিয়া ৰাষ্ট্ৰীয় ৰাজধানীত কাঠফুলাৰ দৰে বিয়পি পৰিছে। তেওঁ শেহতীয়া ঘটনা সন্দৰ্ভত দায়ী লোকসকলৰ বিৰুদ্ধে শীঘ্ৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়। দিল্লী চৰকাৰে নিহত যুৱক কেইজনৰ প্ৰত্যেকৰে পৰিয়ালক এক কোটি টকাকৈ ক্ষতিপূৰণ দিব বুলি জানিবলৈ দিয়ে। এই বিতৰ্কত ভাগ লৈ এ আই এ ডি এম কে ধমবি ডুৰাই কোচিং চেণ্টাৰসমূহ নিৰ্মূল কৰিবলৈ দাবী জনায়। শিৱসেনাৰ প্ৰিয়ংকা চতুৰ্বেদীয়ে দেশত সুযোগ সুবিধাৰ অভাৱৰ বাবে যুৱ চামে বিশেষকৈ দুৰ্ভোগ ভূগিবলগীয়া হৈছে বুলি উল্লেখ কৰে। সমাজবাদী পাৰ্টীৰ জয়া বচ্চনেও এনে ধৰণৰ গুৰুতৰ ঘটনাক লৈ ৰাজনীতি কৰিব নালাগে বুলি মন্তব্য কৰে।

০০০

উড়ান আঁচনিৰ অধীনত সম্প্ৰতি মুঠ ৫৭৯ টা বায়ুপথেদি ১৩ টা হেলিপোৰ্ট আৰু দুটা ৱাটাৰ এৰোড্ৰোমসহ ৮৫ টা বিমান বন্দৰ কাৰ্যক্ষম হৈ আছে। ৰাজ্যসভাত আজি অসমাৰিক বিমান পৰিবহন ৰাজ্যমন্ত্ৰী মুৰলীধৰ মোহলে লিখিতভাৱে এই বিষয়ে প্ৰকাশ কৰে।  মন্ত্ৰীগৰাকীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ দেশতে ২১ টা নতুন সেউজ বিমান বন্দৰ স্থাপনৰ বাবে অনুমোদন জনাইছে। ইয়াৰে ভিতৰত বিগত ১০ টা বছৰত ১২ টা সেউজ বিমান বন্দৰ কাৰ্যক্ষম হৈ উঠিছে।

০০০

দেশত স্বীকৃতি প্ৰাপ্ত ষ্টাৰ্টআপ উদ্যমসমূহে এই পৰ্যন্ত ১৫ লাখ ৫০ হাজাৰৰো অধিক কৰ্মসংস্থাপনৰ সৃষ্টি কৰিছে বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। বিভিন্ন মন্ত্ৰালয় আৰু বিভাগসমূহৰ অধীনত গ্ৰহণ কৰা পদক্ষেপৰ সহায়ত ষ্টাৰ্টআপসমূহে অনাগত সময়ত অধিক কৰ্মসংস্থাপনৰ সৃষ্টি কৰাৰ লগতে যুৱ উদ্যমীসকলক আগবঢ়াই আনিব বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ ঔদ্যোগীক বিকাশ আৰু অভ্যন্তৰীণ বাণিজ্য বিভাগে যোৱা ৩০ জুন পৰ্যন্ত এক লাখ ৪০ হাজাৰ ৮০৩টা ষ্টাৰ্টআপক স্বীকৃতি দিছে বুলি লোকসভাত  দক্ষতা বিকাশ আৰু উদ্যামিতা দপ্তৰৰ স্বতন্ত্ৰ ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধাৰীয়ে এটা লিখিত উত্তৰত প্ৰকাশ কৰে। তেওঁ কয় যে, ক্ষুদ্ৰ, লঘূ আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয়েও প্ৰধানমন্ত্ৰীৰ নিয়োগ সৃষ্টি কাৰ্যসূচীৰ অধীনত কৃষি বৰ্হিভূত খণ্ডসমূহত উদ্যমিতাক উৎসাহিত কৰাৰ বাবে সাহায্য আগবঢ়াইছে। ইয়াৰ লগতে পৰম্পৰাগত কাৰু শিল্পী বা হস্তশিল্পী গ্ৰামীন আৰু নগৰীয়া কৰ্মসংস্থাপনহীন যুৱক-যুৱতীসকলকো ইয়াৰ দ্বাৰা নিয়োগৰ সুবিধা দিয়াৰ চেষ্টা কৰা হৈছে বুলি তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে কয় যে, আৰম্ভণীৰে পৰা ৯ লাখ ৬৯ হাজাৰৰো অধিক ক্ষুদ্ৰ উদ্যোগক প্ৰান্তীয় ৰাজ সাহায্য কাৰ্যসূচীৰ অধীনত ২৫ হাজাৰ ৫০০ কোটিতকৈও অধিক ধন প্ৰদানেৰে সহায় কৰা হৈছে। তদুপৰি প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ৭৯ লাখৰো অধিক লোকক কৰ্মসংস্থাপনৰ সুবিধা দিয়া হৈছে বুলি তেওঁ কয়। অহা দুটা বিত্তীয়বৰ্ষত মন্ত্ৰালয়ে এক লাখ ৬০ হাজাৰ নতুন উদ্যোগ প্ৰতিষ্ঠা কৰাৰ উপৰি ১২ লাখ ৮০ হাজাৰৰো অধিক লোকক কৰ্মসংস্থাপনৰ সুবিধা প্ৰদানৰ লক্ষ্য লৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। একেদৰে গ্ৰামোন্নয়ন মন্ত্ৰালয়ে দীনদয়াল অন্ত্যোদয়া যোজনা-ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান ৰূপায়ণ কৰি গ্ৰামাঞ্চলৰ বহু লোকক কৰ্মসংস্থাপনৰ সুবিধা প্ৰদান কৰিছে

বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। কেন্দ্ৰীয় চৰকাৰে ২০১৬ চনৰ পৰা ব্যৱসায়িক সূচলতাৰ লক্ষ্যৰ ৫৫ টাৰো অধিক নীতিৰ ক্ষেত্ৰত সংস্কাৰ সাধন কৰিছে। আনহাতে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেটত এঞ্জেল কৰৰ বিলোপ সাধন কৰি চৰকাৰে দেশৰ ব্যৱসায়িক ক্ষেত্ৰত অধিক বিদেশী পুঁজি বিনিয়োগৰ পথ প্ৰশস্ত কৰিছে বুলি তেওঁ প্ৰকাশ কৰে।

০০০

পেৰিছ অলিম্পিকত আজি ভাৰতৰ পুৰুষৰ হকী দলৰ আৰ্জেণ্টিনাৰ সৈতে হোৱা খেলখন ১-১ গলত ড্ৰ হয়। আৰ্জেণ্টিনাৰ লুকাচ মাৰ্টিনেজে খেলৰ প্ৰথম হাফত ১ গলত আগুৱাই থকাৰ পাছত ভাৰতৰ অধিনায়ক হৰমন প্ৰীত সিঙে শেষৰটো মিনিটত দলৰ হৈ দিয়া গলটোৰ ফলত খেলখন ড্ৰ হয়। ভাৰতৰ পুৰুষ হকী দলটোৱে নিজৰ পৰৱৰ্তী খেলখনত আয়াৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হব। আয়াৰলেণ্ড ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াৰ সৈতে হোৱা খেলখনত ১-২ গলৰ ব্যৱধানত পৰাস্ত হৈছিল।

০০০

আজি পেৰিছ অলিম্পিকত ভাৰতৰ অৰ্জুন বাবুটাই দহ মিটাৰ এয়াৰ ৰাইফলৰ পুৰুষ শাখাৰ ফাইনেলত চতুৰ্থ স্থানতে সন্তুষ্ট থাকিবলগীয়া হয়। ইপিনে, ১০ মিটাৰ এয়াৰ ৰাইফলৰ মহিলা শাখাত ভাৰতৰ ৰমিতা জিন্দালে সপ্তম স্থান দখল কৰে। খেলত চীনৰ চেং লিহাওয়ে সোণৰ পদক, চুইডেনৰ ভিক্টৰ লিণ্ডগ্ৰীনে ৰূপ আৰু ক্ৰয়েছিয়াৰ মিৰান মেৰিকিকে ব্ৰঞ্জৰ পদক দখল কৰে।

০০০

সমাপ্ত